দৈনিক জনমভূমি

আজিৰ দিনটো
মানৱ একতা দি
১৯৭৩ত ক্রিকে
১৯৮৪ত গুৱাহা
১৯৮৫ত অসম

ষষ্ঠদশ বছৰ, সংখ্যা ২৮১ ● সোমবাৰ ● ১০ বহাগ ● ১৯৪৫ শক ● THE DAINIK JANAMBHUMI ● Tinsukia ● Monday ● April 24, 2023

মহিলা গ্রন্থাগাৰিক সংস্থাৰ সন্মিলন সম্পন্ন

# ছায়া সূত্রধাৰক শান্তি দাস স্মাৰক সাধনা বঁটা প্ৰদান



লাহোৱাল ঃ নিজা সংবাদদাতা, ২৩ এপ্ৰিল ঃ সদৌ অসম মহিলা গ্রন্থাগাৰিক সংস্থাৰ উদ্যোগত ২২ এপ্ৰিলত ডিব্ৰুগড়ৰ ডিব্ৰু মহাবিদ্যালয়ত প্ৰথমবাৰৰ বাবে সদৌ অসম মহিলা গ্রন্থাগাৰিক

১১ পিঠিলৈ

## ছায়া সূত্রধাৰক শান্তি...

সংস্থাৰ সন্মিলন অনুষ্ঠিত হয়। অনুষ্ঠানত অসমত গ্রন্থাগাৰ বিজ্ঞানৰ উন্নয়নৰ গুৰি ধৰোঁতা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা অলকা বুঢ়াগোহাঁই, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° ভীমকান্ত বৰুৱা, ডিব্ৰু মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ চন্দনা গগৈ, সদৌ অসম মহিলা গ্রন্থাগাৰিক সংস্থাৰ সভানেত্ৰী ড° জ্যোতিকা দেৱী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্রন্থাগাৰৰ অৱসৰপ্ৰাপ্ত সহকাৰী গ্রন্থাগাৰিক ড° বীণা লহকৰ প্ৰমুখ্যে গ্রন্থাগাৰ আৰু শিক্ষাৰ লগত জড়িত অসমৰ আগশাৰীৰ বিভিন্ন ব্যক্তি সন্মিলনখনত উপস্থিত থাকে। ভাষণত প্ৰফেচৰ এমেৰিটাছ অধ্যাপক ভীমকান্ত বৰুৱাই অসমৰ বিভিন্ন অঞ্চলত পোৱা সাঁচিপাতসমূহ ভৱিষ্যৎ প্ৰজন্মৰ বাবে সংৰক্ষণত গ্রন্থাগাৰিকসকলক আগভাগ ল'বলৈ অনুৰোধ জনায়। আই এ এছ এল আই চিৰ সভাপতি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নৰেন্দ্ৰ লহকৰে সমাজৰ উন্নয়নত গ্রন্থাগাৰিকসকলৰ দায়িত্ব আৰু কৰণীয় সম্পৰ্কে বৰ্ণনা কৰে। শিক্ষা আৰু গৱেষণাক প্ৰভাৱিত কৰিব পৰা বিভিন্ন দিশসমূহ সামৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° বদন বৰ্মনে এক বিশেষ বক্তৃতা দিয়ে। সদৌ অসম মহিলা গ্রন্থাগাৰিক সংস্থাৰ সাধাৰণ সম্পাদিকা ড° কংকনা বৈশ্যই সংস্থাৰ বৰ্তমানৰ স্থিতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ বিষয়ে এক থূলমূল আভাস দিয়ে। উক্ত অনুষ্ঠানত তিনিচুকীয়া ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত গ্রন্থাগাৰিক ছায়া সূত্রধাৰক গ্রন্থাগাৰ বিজ্ঞানৰ দিশত জীৱনজোৰা অৱদানৰ বাবে ২০২৩ বৰ্ষৰ 'শান্তি দাস স্মাৰক সাধনা বঁটা' প্ৰদান কৰে। 'প্ৰজ্ঞানন' (Gateway of Knowledge) আৰু 'একত্ৰ' নামৰ দুখন গ্ৰন্থ উন্মোচন কৰা হয়।